জাতিৰ আৰেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

তম বছৰ, সংখ্যা ৫৫ ● বুধবাৰ ● ১৪ কাতি ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Wednesday November 1, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটী

কানৈ মহাবিদ্যালয়ত বক্তৃতা আগবঢ়াব কেন্দ্রীয় মন্ত্রী ড° ৰাজকুমাৰ ৰঞ্জন সিঙে

ডিব্রুগড, ষ্টাফ ৰিপৰ্টাৰ, ৩১ অক্টোবৰ ঃ ঐতিহ্যমণ্ডিত ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, এন এল বি টি টি মহাবিদ্যালয়, অসম কলেজ শিক্ষক সংস্থা, ডিব্রুগড় মণ্ডল আৰু বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থানৰ উদ্যোগত ১ নৱেম্বৰৰ বিয়লি ২-৩০ বজাত মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্রেক্ষাগৃহত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হ'ব। 'ৰাষ্ট্রীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা' শীর্ষক বিষয়ত অনুষ্ঠিত হ'বলগীয়া বক্তৃতানুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা প্রদান কৰিব কেন্দ্রীয় বহিঃপৰিক্রমা আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী ড° ৰাজকুমাৰ ৰঞ্জন সিঙে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰিবলগীয়া অনুষ্ঠানটিত বিশেষভাৱে উপস্থিত থাকিব মন্ত্রীগৰাকীৰ সহধর্মিণী দেৱালা দেৱী চুংখাম, গোৱাৰ মুখ্যমন্ত্রীৰ অতিৰিক্ত ব্যক্তিগত সচিব আশুতোষ মিশ্র তথা কেন্দ্রীয় বহিঃপৰিক্রমা আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী ড° ৰাজকুমাৰ ৰঞ্জন সিঙৰ অতিৰিক্ত ব্যক্তিগত সচিব চেৰাম তন্বী মেইটেই। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্রদান কৰিবলগীয়া বক্তৃতানুষ্ঠানটিত বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থানৰ ৰাজ্যিক সভাপতি ড° দেৱহৰি তালুকদাৰে বক্তব্য প্রদান কৰিব। অনুষ্ঠানটিত ডি এইচ এছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডিব্রুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্রশান্ত ফুকন, এন এল বি টি টি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁই, অসম কলেজ শিক্ষক সংস্থা, ডিব্রুগড় মণ্ডলৰ সভাপতি নিৰঞ্জন বৰাকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

অধ্যক্ষ অলিপ খান, জিলা আঁচনি বিষয়া ত্রিদীপ শর্মা তামুলী, তিনিচুকীয়া শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি দুর্জয় লোচন চেতিয়া, বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ পৰামর্শদাতা সুৰুয ভূঞাৰ লগতে বিভিন্ন বিদ্যালয়ৰ পৰা অহা শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্র-ছাত্রীসকল। কুইজ মাষ্টাৰ হিচাপে থাকে ডিগবৈ কুইজ ফ'ৰামৰ সভাপতি পল্লৱ শর্মা আৰু সম্পাদক শাক্যশমিক খাণ্ডন্দ। জিলা আঁচনি বিষয়া দীপক ৰবগোহাঁইৰ পৰিকল্পনাত অনুষ্ঠানটো আঁত ধৰে হুলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্রী কিৰণময়ী হাজৰিকাই। অনুষ্ঠানটো পৰিচালনা কৰাত সহায় কৰে বিদ্যালয়ৰ অধ্যক্ষ অলিপ খানৰ লগতে ডুমডুমাৰ দুটা মণ্ডলৰ মণ্ডল কেন্দ্র সমন্বয়ক কৰ্ৱী সোণোৱাল, সত্যপ্রকাশ শ্বাহ আৰু বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্রীহই। প্রাথমিক শাখাত প্রথম স্থান অধিকাৰ কৰে বিপিন বৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ দিকুমণি কলিতা আৰু প্রিয়াংশু তাঁতী, দ্বিতীয় স্থান অধিকাৰ কৰে ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ শুভাচিতা দত্ত আৰু মনচুম পূজাৰী, তৃতীয় স্থান অধিকাৰ কৰে অম্বিকাপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ নিৰজ ঘিৰমিৰে আৰু টংকপ্রসাদ নেপালে। উচ্চ শাখাত শদিয়া কলেজৰ কল্লোল গগৈ আৰু উদ্ধৰ দেউৰী প্রথম, দ্বিতীয় ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পার্থপ্রতিম ডেকা আৰু কৰিনা সোণোৱাল আৰু তৃতীয় স্থান অধিকাৰ কৰে কাকজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ ফাৰহান আলী আৰু অমৰজিৎ মৰাণে।